অনাগত সময়ত প্ৰাধান্য দিয়াৰ ক্ষেত্ৰত অন্যায় কৰা হ'ব আৰু এনেকুৱা কিছুমান বিষয় সন্মুখলৈ আহিব যিবোৰক তোমালোকে অপছন্দ কৰিবা।" তেওঁলোকে ক'লেঃ হে আল্লাহৰ ৰাছুল! তেনেকুৱা পৰিস্থিতি সম্পৰ্কে আপুনি আমাক কি উপদেশ দিয়ে? তেখেতে ক'লেঃ "তোমালোকে নিজৰ দায়িত্ব পালন কৰিবা আৰু নিজৰ অধিকাৰ আল্লাহৰ ওচৰত বিচাৰিবা।

ইবনে মাছঊদ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "অনাগত সময়ত প্ৰাধান্য দিয়াৰ ক্ষেত্ৰত অন্যায় কৰা হ'ব আৰু এনেকুৱা কিছুমান
বিষয় সন্মুখলৈ আহিব যিবোৰক তোমালোকে অপছন্দ কৰিবা।" তেওঁলোকে ক'লেঃ হে আল্লাহৰ ৰাছুল! তেনেকুৱা পৰিস্থিতি সম্পৰ্কে আপুনি আমাক কি উপদেশ দিয়ে? তেখেতে ক'লেঃ "তোমালোকে নিজৰ দায়িত্ব পালন কৰিবা আৰু নিজৰ অধিকাৰ আল্লাহৰ ওচৰত বিচাৰিবা।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইংগিত কৰিছে যে, অনাগত সময়ত এনেকুৱা লোকে মুছলিমসকলৰ ওপৰত শাসন কৰিব যিসকলে মুছলিমসকলৰ ধন-সম্পত্তি নিজৰ ইচ্ছামতে ব্যয় কৰিব আৰু মুছলিমসকলক তেওঁলোকৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব। লগতে সিহঁতে ধৰ্ম সম্পৰ্কীয় এনেকুৱা কিছুমান কাম কৰিব, যিবোৰ তোমালোকে অপছন্দ কৰিবা। এই কথা শুনি চাহাবাসকলে তেখেতক সুধিলেঃ এনেকুৱা পৰিস্থিতিত আমি কি কৰা উচিত? ইয়াৰ উত্তৰত তেখেতে ক'লে যে, ৰাজহুৱা সম্পত্তিক সিহঁতৰ নিজৰ ইচ্ছা মতে ব্যয় কৰা কাৰ্য্যত ক্ষুণ্ণ হৈ তোমালোকে নিজৰ দায়িত্ব পালনত অৱহেলা নকৰিবা অৰ্থাৎ সিহঁতৰ নিৰ্দেশনা পালনত গা এৰা নিদিবা। বৰং তোমালোকে ধৈৰ্য্য ধাৰণ কৰিবা আৰু সিহঁতৰ কথা মানিবা, সিহঁতৰ সৈতে বিবাদ নকৰিবা। নিজৰ অধিকাৰ আল্লাহৰ ওচৰত বিচাৰিবা। লগতে আল্লাহৰ ওচৰত দুআ কৰিবা আল্লাহে যেন সিহঁতক সংশোধন কৰে আৰু সিহঁতৰ অনিষ্টতাৰ পৰা তোমালোকক ৰক্ষা কৰে।

http://www.sunnah.global/hadeeth/as/show/3156